समग्र शिक्षा
Samagra Shiksha
সমগ্ৰ শিক্ষা


ভূগোল

Under CSR Support by
ipca | Foundation

সপ্তম শ্ৰেণীৰ পাঠ্যপুথি

সমাজ বিজ্ঞান

(দ্বিতীয় ভাগ)

ভূগোল

পাঠ – ৩

পৃথিৱীৰ উপৰিভাগ আৰু ইয়াৰ পৰিৱৰ্তন

অংশ – ৫

জ্যোতি দাস

समग्र शिक्षा
Samagra Shiksha
সমগ্ৰ শিক্ষা

Under CSR Support by
ipca | Foundation



শিকনৰ ফলাফল

- পৃথিৱীৰ উপৰিভাগৰ পৰিবৰ্তনত নদীৰ কাৰ্য্যৰ গুৰুত্ব ।
- পৃথিৱীৰ উপৰিভাগৰ পৰিবৰ্তনত বতাহৰ কাৰ্য্যৰ গুৰুত্ব ।
- পৃথিৱীৰ উপৰিভাগৰ পৰিবৰ্তনত হিমবাহৰ কাৰ্য্যৰ গুৰুত্ব ।

समग्र शिक्षा
Samagra Shiksha
সমগ্ৰ শিক্ষা

Under CSR Support by
ipca | Foundation

নদীৰ কার্য

- নদীৰ কামৰ বাবেও পৃথিৱীৰ পৃষ্ঠত পৰিৱৰ্তন ঘটে।
- খনন, বহন, অৱক্ষেপণৰ তাৰতম্যৰ ওপৰত নির্ভৰ কৰি নদীৰ উৎসৰ পৰা মোহনালৈ যোৱা গতিপথক ৩ ভাগত ভাগ কৰিব পাৰি—
  - উচ্চ অংশ
  - মধ্য অংশ
  - নিম্ন অংশ

समग्र शिक्षा
Samagra Shiksha
সমগ্ৰ শিক্ষা

Under CSR Support by
ipca | Foundation

নদীৰ উচ্চ অংশ-

- নদীৰ উচ্চ অংশত পর্বত-পাহাৰৰ থিয় ঢালেদি বৈ অহা বাবে গতিবেগ তীব্র হয়।
- এই অংশত খনন কার্য বৃদ্ধি পায় আৰু পৰিবহণ ক্ষমতাও বাঢ়ে।
- নদীৰ উপত্যকা ইংৰাজী V আখৰটোৰ দৰে হয়।

समग्र शिक्षा
Samagra Shiksha
সমগ্ৰ শিক্ষা

Under CSR Support by
ipca | Foundation

- নদীৰ গতিপথত যদি ওপৰৰ কঠিন শিলাস্তৰৰ তলত কোমল শিলাস্তৰ থাকে তেতিয়া নদীয়ে তল পিনে খন্দাৰ ফলত কোমল শিলৰ স্তৰটো সহজে ক্ষয় যায় আৰু তাত নদী থিয় ঢালেৰে। তললৈ নামি আহে। ইয়াক জলপ্রপাত (Waterfall) বোলে।

समग्र शिक्षा
Samagra Shiksha
সমগ্র শিক্ষা

Under CSR Support by
ipca | Foundation

কঠিন শিলা

পানীয়ে সহজে

mg

ক্ষয় কৰা
কোমল শিলা



জলপ্রপাত

समग्र शिक्षा
Samagra Shiksha
সমগ্ৰ শিক্ষা

Under CSR Support by
ipca | Foundation

নদীৰ মধ্য অংশ-

- নদীৰ গতিপথৰ মধ্য অংশত ঢাল কমে অৰু নদীৰ গতিবেগো কমে।
- এই অংশত নদীয়ে কাষৰ ফালে বেছিকৈ খান্দে।
- মধ্য অংশ বা সমভূমি অঞ্চলত নদীৰ গতিপথ একা- বেঁকা হয়।
- নদীৰ এই গতিক সর্পিল গতি (Meandering Course) বুলি কোৱা হয়।

- কেতিয়াবা নদীৰ এই ভাঁজৰ মাত্ৰা বাঢ়ি যায়। খৰালি কালত নদীৰ পানী কম থাকিলে এই ভাঁজে ভাঁজে নদী বৈ থাকে কিন্তু বাৰিষা নদীৰ পানী বাঢ়িলে তেনে ভাঁজ এৰি নদী প্ৰচণ্ড শক্তিৰে পোনে পোনে ববলৈ ধৰে।
- নদীয়ে এৰি যোৱা ভাজটোৰ মুখত বালি জমা হৈ মূল নদীৰপৰা বিচ্ছিন্ন হয় আৰু ভাজটো বিল বা হ্ৰদত পৰিণত হয়।

समग्र शिक्षा
Samagra Shiksha
সমগ্ৰ শিক্ষা

Under CSR Support by
ipca | Foundation

- ঘোঁৰাৰ খুৰাৰ আকৃতিৰ এনেকুৱা জলাশয়বোৰক অশ্বখুৰাকৃতিৰ হ্ৰদ (Ox-bow lake) বোলে। নদীৰ কাষে কাষে থকা এনে জলাশয়বোৰক আমি বিল বুলি কওঁ।



অশ্বখুৰাকৃতিৰ হ্ৰদ



समग्र शिक्षा
Samagra Shiksha
সমগ্ৰ শিক্ষা

Under CSR Support by
ipca | Foundation



কবৰ তাল, বিহাৰ

- বানপানীৰ সময়ত নদীয়ে দুয়োপাৰ বুৰাই পেলায়।
- নদীয়ে কঢ়িয়াই অনা বালি, বোকাৰ গেদবোৰ দুয়োপাৰে জমা হয়।
- নদীয়ে সৃষ্টি কৰা এনে পলসুৱা ভূমিক প্লাবন ভূমি (Flood Plain) বোলা হয়।
- নদীয়ে দূৰলৈ উটুৱাই নিব নোৱাৰা শিল বালি; বোকাবোৰ নদীৰ দুয়োপাৰত জমা হয়।

- এনেদৰে দুয়োপাৰ প্লাবন ভূমিতকৈ ওখ হৈ মথাউৰিৰ দৰে হয়। ইয়াক প্ৰাকৃতিক বান্ধ (Levee) বোলা হয়।



समग्र शिक्षा
Samagra Shiksha
সমগ্ৰ শিক্ষা

Under CSR Support by
ipca | Foundation

নদীৰ নিম্ন অংশ-

- নদীৰ নিম্ন অংশত নদীৰ গতিবেগ প্ৰায় নাথাকেই।
- ই লগত কঢ়িয়াই অনা বালি, বোকা আদি মোহনা অঞ্চলত জমা কৰে। ফলত নদীৰ গতিপথ প্ৰায় বন্ধ হৈ পৰে।

समग्र शिक्षा
Samagra Shiksha
সমগ্ৰ শিক্ষা

Under CSR Support by
ipca | Foundation

- মূল নদীখন বহুতো শাখাত ভাগ হৈ ব'বলৈ ধৰে। এইবোৰক শাখা নদী (Distributories) বোলে। এই শাখা নদীবোৰৰ মাজৰ সমভূমিবোৰ 'ব' আখৰটোৰ দৰে বা ত্রিভুজ আকৃতিৰ হয়। ইয়াক বদ্বীপ (Delta) বোলে।



समग्र शिक्षा
Samagra Shiksha
সমগ্ৰ শিক্ষা

Under CSR Support by
ipca | Foundation

- ভাৰতৰ গংগা গোদাবৰী আৰু কৃষ্ণা নদীত ব-দ্বীপ দেখা যায় ।



समग्र शिक्षा
Samagra Shiksha
সমগ্ৰ শিক্ষা

Under CSR Support by
ipca | Foundation

বতাহৰ কার্য

- ভূপৃষ্ঠৰ শুকান মৰুভূমি অঞ্চলত বিচূর্ণীভৱনৰ দ্বাৰা শিলাবোৰ চূর্ণ-বিচূর্ণ হৈ পৰি থাকে।
- বতাহে এই পদার্থবোৰ এঠাইৰপৰা আন ঠাইলৈ উৰুৱাই বা বহন কৰি নিয়ে আৰু এঠাইত জমা কৰে।

- পানীৰ নিচিনাকৈ বতাহেও খনন, পৰিবহণ আৰু অৱক্ষেপণ এই তিনিওটা কাৰ্য সম্পাদন কৰে।
- বতাহে অতি পাতল ধূলিকণাবোৰ বহু দূৰলৈ উৰুৱাই নিব পাৰে।
- কিন্তু বালিকণা বা সেই আকাৰৰ পদাৰ্থবোৰ বেছি দূৰলৈ উৰুৱাই নিব নোৱাৰে।

समग्र शिक्षा
Samagra Shiksha
সমগ্ৰ শিক্ষা

Under CSR Support by
ipca | Foundation

- এটা নির্দিষ্ট উচ্চতাত বতাহে উৰুৱাই নিয়া বালিৰ কণিকাবোৰৰ খনন ক্ষমতা বেছি।
- সেইবাবে মৰুভূমিৰ বুকুত থকা শিলাখণ্ডবোৰৰ এক বিশেষ উচ্চতাত বেছিকৈ ক্ষয় গৈ কাঠফুলা (Mushroom Rocks) আকৃতিৰ শিলাৰ সৃষ্টি কৰে। বতাহৰ খনন কার্যৰ ফলত সৃষ্টি হোৱা অন্য কেইটামান অৱয়ব হ'ল ইনছেলবার্গ, ইয়াৰদাং।

समग्र शिक्षा
Samagra Shiksha
সমগ্ৰ শিক্ষা

Under CSR Support by
ipca | Foundation

- মৰুভূমিত বতাহে ধূলি, বালিবোৰ উৰুৱাই নি থকাৰ ফলত মৰুপৃষ্ঠৰ উচ্চতা লাহে লাহে কমি আহে।
- বতাহে বালি উৰুৱাই নি মৰুভূমিৰ বুকুত সৃষ্টি কৰা এটি উল্লেখযোগ্য অৱয়ব হ'ল **মৰুদ্যান** (Oasis)।
- মৰুভূমিৰ বুকুৰ এই দ ঠাইবোৰত পানী আৰু সাৰুৱা মাটিৰ বাবে মানুহে বসতি কৰা দেখা যায়।



- মৰুভূমিৰ কোনো কোনো অঞ্চলত বতাহৰ গতি কমি আহিলে ই কঢ়িয়াই অনা শিল বালিবোৰ জমা হৈ বালিস্তুপ (Sand Dune) সৃষ্টি কৰে।
- মৰুভূমিৰ ক্ষুদ্ৰ ক্ষুদ্ৰ ধূলিকণাবোৰ কেতিয়াবা বতাহৰ দ্বাৰা প্ৰবাহিত হৈ বহু দূৰৈত জমা হৈ হৈ একোখন সাৰুৱা উচ্চ ভূমিৰ সৃষ্টি কৰে।
- ইয়াকে ল'ৰেছ (Loess) বোলে। চীন দেশত এনে ল'ৰেছ দেখা যায়।

समग्र शिक्षा
Samagra Shiksha
সমগ্ৰ শিক্ষা

Under CSR Support by
ipca | Foundation



ইনছেলবাৰ্গ



ইয়াৰদাং



মৰুদ্যান

समग्र शिक्षा
Samagra Shiksha
সমগ্ৰ শিক্ষা

Under CSR Support by
ipca | Foundation

হিমবাহৰ কার্য

- নদী আৰু বতাহৰ নিচিনাকৈ হিমবাহেও খনন, পৰিবহণ আৰু অৱক্ষেপণৰ দ্বাৰা ভূপৃষ্ঠৰ নানা পৰিৱর্তন সাধন কৰে।
- হিমবাহবোৰ পর্বতৰ গাৰে বৈ আহোঁতে বৰফ খণ্ডৰ লগতে শিলাখণ্ড, শিল, বালি আদি কঢ়িয়াই আনে আৰু এনেদৰেই ই খনন আৰু পৰিবহণ কার্য চলায়।

- হিমবাহ তললৈ নামি আহোতে অধিক তাপৰ সন্মুখীন হয় আৰু বৰফবোৰ গলিবলৈ ধৰে।
- ফলত হিমবাহে কঢ়িয়াই অনা শিল, মাটি, জাৱৰ-জোখৰ আদি অৱক্ষেপবোৰ নামনিত জমা হয়।
- হিমবাহে লগত অনা এনে পদার্থবোৰক গ্রাৱ (Moraine) বোলে।

समग्र शिक्षा
Samagra Shiksha
সমগ্ৰ শিক্ষা

Under CSR Support by
ipca | Foundation

- এই গ্ৰাৱবোৰে নামনিত বিভিন্ন ধৰণৰ ভূঅৱয়বৰ সৃষ্টি কৰে।
- হিমবাহে খননৰ দ্বাৰা সৃষ্টি কৰা উল্লেখযোগ্য ভূঅবয়ব হ'ল ওলোমা উপত্যকা (Hanging valley), শৃংকু (Horn) আদি।



মূল্যায়ন





1 | নদীৰ মাজৰ সমভূমিবোৰ 'ব' আখৰটোৰ দৰে হলে তাক ..... ব দ্বীপ ..... বোলে ।

মূল্যায়ন



2 পৃথিৱীৰ উপৰিভাগৰ পৰিবৰ্তন ঘটোৱা এবিধ বাহ্যিক কাৰণ হ'ল ভূমিকম্প।

A শুদ্ধ

B অশুদ্ধ

মূল্যায়ন



3 ল'ৰেছ পৃথিৱীৰ পৰিবৰ্তনৰ কি কাৰ্য্যৰ বাবে সৃষ্টি হয় -

A বতাহ

B হিমবাহ

C নদী